জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৩৮/২০২০

# অষ্টম নৰ্থ ইষ্ট ফেষ্টিভেলৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

# এক্ট ইষ্ট পলিচি ৰূপায়ণৰ পদক্ষেপে দক্ষিণ-পূব এছিয়া আৰু বি বি এন দেশসমূহৰ সৈতে অৰ্থনৈতিক, সাংস্কৃতিক আদান-প্ৰদানৰ পথ প্ৰশস্ত কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মহানগৰীৰ হোটেল ৰেডিশ্যন ব্লুত আয়োজিত অষ্টম সংখ্যক নৰ্থ ইষ্ট ফেষ্টিভেল-২০২০ ৰ উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই মহোৎসৱৰ আয়োজকসকলে উত্তৰ পূৰ্বাঞ্চলৰ পৰ্যটন, সংস্কৃতি, বিবিধতা দেশৰ লগতে বিশ্বৰ অন্য প্ৰান্তত সজোৰে তুলি ধৰাৰ বাবে লোৱা প্ৰচেষ্টাৰ শলাগ লয়। উত্তৰ-পূৰ্বাঞ্চল যথেষ্ট সম্পদ আৰু সম্ভাৱনাৰে পৰিপূৰ্ণ বুলি উল্লেখ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে বৃহত্তৰ অঞ্চলটোৱে বহন কৰা সম্ভাৱনীয়তাসমূহৰ পূৰ্ণ সুযোগ লাভ কৰাৰ বাবে সন্মিলিতভাৱে কাম কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী হিচাপে সংসদত প্ৰথমবাৰৰ বাবে দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক জৈৱিক হাব হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱাৰ কথা উল্লেখ কৰি এইগৰাকী প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ বিকাশৰ 'নতুন ইঞ্জিন' তথা 'অষ্টলক্ষ্মী' হিচাপে অভিহিত কৰি এই ৰাজ্যসমূহে বহন কৰা সম্ভাৱনীয়তাসমূহৰ বিকাশেৰে সমগ্ৰ বিশ্বতে এক নতুন পৰিচয় দাঙি ধৰাৰ প্ৰয়াস চলাইছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পূৰ্বতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত থকা শক্তি আৰু সম্ভাৱনাক এনেদৰে আৱিষ্কাৰ কৰাৰ প্ৰয়াস চলোৱা হোৱা নাছিল বুলিও তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'এক্ট ইষ্ট পলিচি' ৰূপায়ণৰ পদক্ষেপেৰে দক্ষিণ-পূব এছিয়াৰ দেশ তথা বিবিএন দেশসমূহৰ সৈতে অৰ্থনৈতিক, সাংস্কৃতিক আদান-প্ৰদানৰ পথ প্ৰশস্ত কৰিছে বুলি উল্লেখ কৰি এই দেশসমূহৰ বিশাল বজাৰখনক সকলো ক্ষেত্ৰতে দখল কৰাৰ বাবে সকলোৱে মিলি কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। শিক্ষা, সংস্কৃতি, কৃষি, প্ৰযুক্তি ইত্যাদি সকলোতে প্ৰভুত্ব বিস্তাৰেৰে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলে ভাৰতবৰ্ষৰ বাবে এই দেশসমূহৰ দুৱাৰমুখ হিচাপে পৰিগণিত হোৱাৰ এক প্ৰেক্ষাপটৰ সূচনা হৈছে বুলিও তেওঁ কয়। ইয়াৰ বাবে কঠোৰ পৰিশ্ৰমৰ বিকল্প নাই বুলিও তেওঁ কয়। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে নিজৰ শক্তি আৰু সামৰ্থৰ পূৰ্ণ প্ৰয়োগেৰে উৎপাদন বৃদ্ধি কৰি এই দিশত অগ্ৰসৰ হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষিখণ্ডত প্ৰযুক্তিৰ প্ৰয়োগ, ছয়েল হেলথ্ কাৰ্ড, ৰাটাৰ হেলথ্ কাৰ্ড ইত্যাদিৰ ব্যৱস্থাৰে কৃষিখণ্ডক আগুৱাই নিয়াৰ যি প্ৰয়াস চলাইছে ইয়াৰ বাবে নৱ প্ৰজন্মই কৃষি খণ্ডৰ প্ৰতি আকৃষ্ট হ'ব পাৰিছে বুলিও তেওঁ কয়।

ৰাজ্যখনৰ ১৪ জন কৃষকৰ সৈতে ভিয়েটনামৰ কৃষিখণ্ডৰ বিকাশ পৰিদৰ্শন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিগত ৩০ বছৰত ভিয়েটনামে কৃষি বিজ্ঞানী আৰু কৃষকৰ সমন্বয়ৰে কৃষি উৎপাদিত সামগ্ৰীসমূহত মূল্য সংযোজনেৰে ৩৬ ইউ এছ বিলিয়ন ডলাৰ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। এই উদাহৰণৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহেও উৎপাদন, সংগ্ৰহ আৰু বিপণনৰ এক সংহত ব্যৱস্থা গঢ়ি তুলিব পাৰিলে বিকাশৰ মাত্ৰাই এক নতুন গতি লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজকসকলক ভৱিষ্যতৰ কাৰ্যসূচীত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যই লাভ কৰা সফলতাৰ নমুনা সৰলভাৱে দাঙি ধৰাৰ ব্যৱস্থা কৰিবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে আয়োজকসকলক যুৱ শক্তিক জাগ্ৰত কৰাৰ পদক্ষেপ ল'বলৈ আহ্বান জনোৱাৰ লগতে যুৱক-যুৱতীসকলৰ মত-বিনিময়ৰ অনুষ্ঠানৰ আয়োজন কৰাৰ বাবেও আহ্বান জনায়।

অনুষ্ঠানত ভাৰ্চুৱেলী যোগদান কৰি প্ৰদান কৰা ভাষণত উত্তৰ-পূব উন্নয়ন দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে নৰ্থ ইষ্ট ফেষ্টিভেলৰ দৰে মহোৎসৱে উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন, বাণিজ্য ইত্যাদিৰ ক্ষেত্ৰত ইতিবাচক ফলাফল কঢ়িয়াই অনাৰ সম্ভাৱনীয়তা বহন কৰিছে বুলি কয়। ভাষণ প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ বিকাশৰ নতুন ইঞ্জিন হিচাপে অভিহিত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ- পূৰ্বাঞ্চলৰ বিভিন্ন ক্ষেত্ৰৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে গ্ৰহণ কৰি থকা ব্যৱস্থাৱলীসমূহৰ বিষয়েও কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱে এই উৎসৱ আয়োজন কৰাৰ পদক্ষেপ লোৱাৰ বাবে আয়োজকসকলক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰি কয় যে আজিৰ পৰা ১০ বছৰ আগেয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বহুকেইখন ৰাজ্যক দেশবাসীয়ে বিশেষভাৱে জনা নাছিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ৬ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে গ্ৰহণ কৰা শক্তিশালী পদক্ষেপৰ জৰিয়তে এই অঞ্চলটোৱে এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। পূৰ্বতে ত্ৰিপুৰাৰ জীৱনৰেখা স্বৰূপ ৰাষ্ট্ৰীয় ঘাইপথ মাত্ৰ এটাৰে সংযুক্ত আছিল বুলি উল্লেখ কৰি এতিয়া ৰাষ্ট্ৰীয় ঘাইপথ, ৰেল যোগাযোগ, আকাশী পথৰ শক্তিশালীকৰণেৰে ত্ৰিপুৰাৰ যোগাযোগ খণ্ডত বিপ্লৱৰ সূচনা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সন্মিলিত প্ৰচেষ্টাৰে উত্তৰ-পূৰ্বাঞ্চলে পৰ্যটনৰ ক্ষেত্ৰত আগন্তুক ১০ বছৰৰ ভিতৰত দেশৰ ভিতৰতে শ্ৰেষ্ঠ স্থান হিচাপে গঢ়ি উঠিব বুলিও কয়।

অনুষ্ঠানত ভাৰ্চুৱেলী প্ৰদান কৰাৰ ভাষণত মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে মণিপুৰে শেহতীয়াকৈ উন্নয়নৰ দিশত লাভ কৰা সফলতাসমূহ সদৰি কৰে। এনেকুৱা উৎসৱৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলে বহন কৰা সম্পদ আৰু সম্ভাৱনীয়তাসমূহ প্ৰদৰ্শনেৰে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে প্ৰধানমন্ত্ৰীয়ে লোৱা লক্ষ্য বাস্তাৱায়িত কৰাৰ দিশত ইতিবাচক অৰিহণা যোগোৱাৰ সম্ভাৱনীয়তা আছে বুলিও তেওঁ কয়।

অনুষ্ঠানত ভাৰতৰ বিদেশ সচিব হৰ্ষবৰ্ধন শ্ৰিংলাইও ভাষণ প্ৰদান কৰি এক্ট ইষ্ট পলিচি ৰূপায়ণৰ পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহলৈ কঢ়িয়াই অনা সম্ভাৱনীয়তাসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নৰ্থ ইষ্ট ফেষ্টিভেলৰ মুখ্য আয়োজক শ্যামকানু মহন্তই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষি মন্ত্ৰী অতুল বৰা, চিকিমৰ পৰ্যটন মন্ত্ৰী বেদুসিং পান্ট, মুখ্য সচিব জিষ্ণু বৰুৱা, স্পাইচ জেটৰ চি অ' অ' দেবজু মুখাৰ্জী, নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰিচালন সঞ্চালক এছ কে বৰুৱাইও ভাষণ প্ৰদান কৰে।

অনুষ্ঠানত ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, কেইবাটও সংবাদ প্ৰতিষ্ঠানৰ সম্পাদককে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**
**১৯/১২/২০২০**